কোনো অত্যাচাৰী শাসকৰ সন্মুখত ন্যায় কথা কোৱাটোও হৈছে জিহাদৰ এটা অন্যতম ডাঙৰ প্ৰকাৰ।

আবু ছাঈদ আল-খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "কোনো অত্যাচাৰী শাসকৰ সন্মুখত ন্যায় কথা কোৱাটোও হৈছে জিহাদৰ এটা অন্যতম ডাঙৰ প্ৰকাৰ।" [لغيره حسن)] [আবু দাঊদ, তিৰমিজী, ইবনে মাজাহ, আহমদ)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, জিহাদৰ আটাইতকৈ ডাঙৰ আৰু উৎকৃষ্ট এটা প্ৰকাৰ হৈছে অত্যাচাৰী শাসক তথা স্বৈৰাচাৰী আমীৰৰ সন্মুখত ন্যায় তথা সত্য কথা কোৱা। কাৰণ এইটো হৈছে সৎকৰ্মৰ আদেশ আৰু অসৎকৰ্মৰ পৰা নিষেধৰ অন্যতম এটা প্ৰতীক। সেয়া যিকোনো উপায়ে হওক, কথাৰ দ্বাৰা, লিখিত পত্ৰৰ দ্বাৰা বা অন্য কোনো উপায়েই হওক, উপকাৰ সাধন হ'লেই হ'ল আৰু অনিষ্টতা দূৰ হ'লেই হ'ল।

https://sunnah.global/hadeeth/as/show/3045